অসম

জামুগুৰিহাটত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ডাম্পাৰ বাগৰি তিনি শিক্ষার্থীসহ চাৰিজন গুৰুতৰভাৱে আহত

জামুগুৰিহাটৰ গেৰেকিচুকৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত শিল ভর্তি ডাম্পাৰ বাগৰি পৰাৰ ফলত তিনিগৰাকী শিক্ষার্থীসহ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়।

প্ৰকাশ: ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৪



জামুগুৰিহাট: জামুগুৰিহাটৰ গেৰেকিচুকত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুর্ঘটনাত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীসহ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়।

প্ৰাপ্ত তথ্য অনুসৰি, গেৰেকিচুকস্থিত বৰভগীয়া মজলীয়া বিদ্যালয়ৰ সন্মুখত নিয়ন্ত্ৰণ হেৰুৱাই শিল ভর্তি এখন ডাম্পাৰ বাগৰি পৰে। ফলত বিদ্যালয়খনৰ তিনিগৰাকী শিক্ষার্থী আৰু এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়।

জামুগুৰিহাট নগৰ অভিমুখে গৈ থকা এএছ-২৭ চি-২৭০৭ (AS 27 C 2707) নম্বৰৰ ডাম্পাৰখনে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলতেই এই দুর্ঘটনাটো সংঘটিত হয়।

দুর্ঘটনাৰ পিছতে আহতসকলক ততাতৈয়াকৈ উত্তৰ জামুগুৰি প্ৰাথমিক চিকিৎসালয়লৈ লৈ যোৱা হয়। পৰৱর্তী সময়ত স্থানীয় বিধায়ক পদ্ম হাজৰিকাৰ তৎপৰতাত উন্নত চিকিৎসাৰ বাবে আটাইকেইজনকে তেজপুৰলৈ স্থানান্তৰ কৰা হয়।

ইপিনে ঘটনাৰ খবৰ পাই আৰক্ষীৰ দল দুর্ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্রণ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6925/jamugurihat-road-accident-dumper-school-students-injured